**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে উৎপাদনৰ দিশৰ পৰা দেশৰ প্ৰতিৰক্ষা খণ্ড আত্মনিৰ্ভৰশীল হোৱাৰ দিশে অগ্ৰসৰ হৈছে বুলি প্ৰকাশ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতে উমৈহতীয়াভাৱে সুবিধাজনক বাণিজ্যিক চুক্তিৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰা বুলি সদৰি কৰিছে।

৩। প্ৰচাৰ ভাৰতীৰ ৱেভ্‌ছ্ মঞ্চই ৫ হাজাৰ কোটি টকা মূল্যৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ সুবিধা প্ৰদান কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৪। ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিক্ৰমা বিভাগে ভাৰতৰ অৰ্থনীতি চলিত বিত্তীয় বৰ্যত ৭ দশমিক ২ শতাংশ হাৰত বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। ছত্তিশগড়ৰ দান্তেৱাড়া জিলাত ৬৩গৰাকী মাওবাদীয়ে আত্মসমৰ্পন কৰিছে।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে উৎপাদনৰ দিশৰ পৰা দেশৰ প্ৰতিৰক্ষা খণ্ড আত্মনিৰ্ভৰশীল হোৱাৰ দিশে অগ্ৰসৰ হৈছে বুলি প্ৰকাশ কৰিছে। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ সৰোজনী নগৰ অঞ্চলত ই ভি অৰ্থাৎ বৈদ্যুতিক বাহনৰ কাৰখানা মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। কেন্দ্ৰীয় মন্ত্ৰী এইছ্ ডি কুমাৰাস্বামী আৰু মুখ্যমন্ত্ৰী যোগী আদিত্যনাথো এই অনুষ্ঠানত উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে বহু নিয়ম সৰলীকৃত কৰাৰ লগতে বিনিয়োগকাৰী আৰু ব্যৱসায়ীসকলৰ বিশ্বাস বৃদ্ধিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ কয় যে পূৰ্বে বছৰি ৪৬ হাজাৰ কোটি টকাৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ পৰিৱৰ্তে বৰ্তমান ইয়াৰ পৰিমাণ ১ লাখ ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰতিৰক্ষা খণ্ডৰ ৰপ্তানি অধিক সম্প্ৰসাৰিত হৈছে। পূৰ্বে বছৰি এহেজাৰ কোটি টকাৰ প্ৰতিৰক্ষা সামগ্ৰীৰ ৰপ্তানি হোৱাৰ বিপৰীতে সম্প্ৰতি প্ৰায় ২৫ হাজাৰ কোটি টকাৰ এনে সামগ্ৰী ৰপ্তানি কৰা হয়। ২০২৯-৩০ চনৰ ভিতৰত এই ৰপ্তানিয়ে ৫০ হাজাৰ কোটি টকা অতিক্ৰম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

000000000

জ্যোতিৰ্লিংগ সোমনাথত চাৰিদিনীয়া কাৰ্যসূচীৰে সোমনাথ স্বাভিমান পৰ্ব অব্যাহত থকা উপলক্ষে পৱিত্ৰ চহৰখন ঐশ্বৰিক ভাৱনাৰে মুখৰ হৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। এই কাৰ্যসূচীয়ে সমগ্ৰ অঞ্চলটোতে আধ্যাত্মিক ভাৱনা তথা ৰাষ্ট্ৰীয় একতাৰ গভীৰ অনুভৱ জগাই তুলিছে। চহৰখনৰ বাট-পথসমূহ আলোকসজ্জাৰে সজ্জিত হৈ উঠিছে। তদুপৰি চহৰখনৰ প্ৰধান অঞ্চলসমূহ ৰঙীন আলোকসজ্জাৰ সজাই তুলি বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তসকলক আদৰণি জনোৱাৰ ব্যৱস্থা কৰা হৈছে।

000000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰত দুয়োখন দেশে উমৈহতীয়াভাৱে সুবিধাজনক বাণিজ্যিক চুক্তিৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰা বুলি সদৰি কৰিছে। আজি বিয়লি নতুন দিল্লীত মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে বিগত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে দ্বিপাক্ষিক বাণিজ্যিক চুক্তিত উপনীত হোৱাৰ বাবে দুয়োখন দেশে আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁ লগতে কয় যে সেই সময়ৰ পৰা দুয়োখন দেশেই পৰস্পৰক উপকৃত কৰিব পৰা বাণিজ্যিক চুক্তিত উপনীত হোৱাৰ উদ্দেশ্যে কেইবাবাৰো আলোচনাত মিলিত হৈছে। মুখপাত্ৰগৰাকীয়ে কয় যে বিগত বৰ্যত ড'নাল্ড ট্ৰাম্প আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেইবাবাৰো টেলিফোনিক বাৰ্তালপত মিলিত হৈছিল। ৰাষ্ট্ৰসংঘৰ কেইবাটাও আন্তঃৰাষ্ট্ৰীয় গোট তথা সংস্থাৰ সদস্যপদ প্ৰত্যাহাৰ কৰাৰ বিষয়ে আমেৰিকা যুক্তৰাষ্ট্ৰই কৰা ঘোষণা সন্দৰ্ভত

মুখপাত্ৰগৰাকীয়ে কয় যে ভাৰতে বহুপাক্ষিকতাবাদৰ হকে মত প্ৰকাশ কৰে। আলোচনাৰ মাধ্যমেৰে তথা দেশসমূহৰ সহযোগিতাৰ জৰিয়তে আন্তৰ্জাতিক সমস্যাসমূহ সমাধান কৰাৰ হকে দেশে মত প্ৰকাশ কৰি আহিছে। ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰা দেশসমূহৰ ক্ষেত্ৰত কৰ বৃদ্ধি কৰাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছে শেহতীয়াকৈ উত্থাপন কৰা বিধেয়ক সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয় যে নতুন দিল্লীয়ে এই সন্দৰ্ভত সকলো শেহতীয়া তথ্যৰ বুজ লৈ আছে। ভাৰতে সদায় আন্তঃৰাষ্ট্ৰীয় বজাৰৰ পৰিৱৰ্তনশীল বাতাবৰণ অনুসৰি পদক্ষেপ লয় বুলি উল্লেখ কৰি তেওঁ কয় যে বিভিন্ন উৎসৰ পৰা ভাৰতে ১৪০ কোটি জনসাধাৰণৰ প্ৰয়োজন পূৰ কৰি আহিছে। ছক্‌ছগম উপত্যকা ভাৰতৰ অংশ বুলি উল্লেখ কৰি তেওঁ কয় যে ১৯৬৩ চনত চীন আৰু পাকিস্তানৰ মাজত স্বাক্ষৰিত তথাকথিত সীমাৰ চুক্তিক ভাৰতে কেতিয়াও স্বীকৃতি দিয়া নাই। জম্মু-কাশ্মীৰ আৰু লাডাখ দেশৰ অবিচ্ছেদ্য অংগ বুলি তেওঁ দোহাৰে। দেশৰ স্বাৰ্থক সুৰক্ষা দিয়াৰ হকে দেশে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁ উল্লেখ কৰে। টাইৱানৰ সমীপত চীনৰ সামৰিক বাহিনীৰ কুচকাৱাজ সন্দৰ্ভত তেওঁ কয় যে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ পৰিস্থিতি দেশে নিবিড়ভাৱে নিৰীক্ষণ কৰিছে। বাংলাদেশৰ সংখ্যালঘু সন্দৰ্ভত শ্ৰীজয়ছৱালে কয় যে দেশখনৰ সংখ্যালঘু সম্প্ৰদায়ৰ বাসগৃহ তথা বাণিজ্যিক প্ৰতিষ্ঠানসমূহত দুৰ্বৃত্তই বাৰে বাৰে আক্ৰমণ চলাই থকা পৰিলক্ষিত হৈছে। এনে ধৰণৰ সাম্প্ৰদায়িক আক্ৰমণৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰচাৰ ভাৰতীৰ ৱেভ্‌ছ মঞ্চই সমগ্ৰ বিশ্বৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱাৰ লগতে ৫ হাজাৰ কোটি টকা মূল্যৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ সুবিধা প্ৰদান কৰা বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। কণ্টেণ্ট ক্ৰিয়েটৰসকলৰ সুবিধাৰ্থে ডী ডী নিউজৰ ক্ৰিয়েটৰ্ছ কৰ্ণাৰ শীৰ্ষক এটা নতুন অনুষ্ঠানৰ শুভাৰম্ভ কৰি শ্ৰীবৈষ্ণৱে এইদৰে কয়। তেওঁ কয় যে প্ৰচাৰ ভাৰতীয়ে এই নতুন পদক্ষেপৰ জৰিয়তে সৃষ্টিশীল বিষয়সমূহক প্ৰচাৰ তথা প্ৰদৰ্শনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে এই ক্ৰিয়েটৰৰ অৰ্থনীতিত ১ কোটি যুৱক-যুৱতী সংযোগ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। শ্ৰীবৈষ্ণৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১১টা বছৰত বিভিন্ন গুৰুত্বপূৰ্ণ সংস্কাৰৰ সূচনা কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়টো নতুন কাৰ্যব্যৱস্থাৰে চলিত বছৰতেই সম্পূৰ্ণভাৱে পুনৰগঠন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তথ্য আৰু সম্প্ৰচাৰ খণ্ডই দেশৰ প্ৰতিগৰাকী নাগৰিকৰ জীৱনত প্ৰভাৱ পেলোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে সাম্প্ৰতিক প্ৰযুক্তি, প্ৰজন্ম আৰু কাৰ্যপদ্ধতিৰ সৈতে খাপ খুৱাই এই ক্ষেত্ৰত সংস্কাৰ সাধন কৰাটো প্ৰয়োজনীয় বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৈষ্ণৱে এই সংস্কাৰে নতুন কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰিব বুলিও আশা প্ৰকাশ কৰে। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানেও এই পদক্ষেপৰ বাবে দূৰদৰ্শনক অভিনন্দন জনায়। উল্লেখযোগ্য যে ক্ৰিয়েটৰ্ছ কৰ্ণাৰ অনুষ্ঠানটো সোমবাৰৰ পৰা শুকুৰবাৰলৈ সন্ধিয়া ৭ বজাত ডী ডী নিউজযোগে প্ৰচাৰিত হ'ব। এই অনুষ্ঠানে কণ্টেণ্ট ক্ৰিয়েটৰসকলক তেওঁলোকৰ বিষয়সমূহ উপস্থাপনৰ বাবে এখন ৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰিব।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিক্ৰমা বিভাগে খৰচ আৰু ৰাজহুৱা বিনিয়োগৰ কাৰণে ভাৰতৰ অৰ্থনীতি চলিত বিত্তীয় বৰ্ষত ৭ দশমিক ২ শতাংশ হাৰত বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলি এখন প্ৰতিবেদনত প্ৰকাশ কৰিছে। বিশ্ব অৰ্থনৈতিক পৰিস্থিতি আৰু সম্ভাৱনা ২০২৬ শীৰ্ষক প্ৰতিবেদনখনত ভাৰতে ২০২৬-২৭ বিত্তীয় বৰ্ষত ৬ দশমিক ৬ শতাংশ আৰু ২০২৭-২৮ বিত্তীয় বৰ্ষত ৬ দশমিক ৮ শতাংশ হাৰত বিকাশ লাভ কৰিব বুলিও পুৰ্বানুমান কৰা হৈছে। প্ৰতিবেদনখনত কোৱা হৈছে যে শেহতীয়া কৰ সংস্কাৰ আৰু মুদ্ৰা ব্যৱস্থাৰ সূচলতাই এই ক্ষেত্ৰত সহায় আগবঢ়াব।

০০০০০০০০০

বিভিন্ন কাৰ্যসূচীৰে আজি প্ৰবাসী ভাৰতীয় দিৱস উদযাপন কৰা হয়। মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ উভতি অহা দিনটোক স্মৰণ কৰি প্ৰতি বছৰে ৯ জানুৱাৰীত এই দিৱস উদযাপন কৰা হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত বিদেশ মন্ত্ৰালয়ে প্ৰবাসী ভাৰতীয়সকলে দেশৰ পৰম্পৰা, ধাৰণা আৰু প্ৰমূল্যক কঢ়িয়াই বিভিন্ন দেশ-মহাদেশ আৰু সংস্কৃতিৰ সৈতে সমন্বয় সাধন কৰে বুলি উল্লেখ কৰিছে। পোষ্টটোত তেওঁলোকক ভাৰত আৰু বিশ্বৰ জীৱন্ত সাঁকো বুলি উল্লেখ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰবাসী ভাৰতীয়সকলক ভাৰতৰ সাংস্কৃতিক দূত বুলি অভিহিত কৰাৰ বিষয়েও মন্ত্ৰালয়ে উল্লেখ কৰে।

০০০০০০০০০

ভাষাৰ গুৰুত্ব কেৱল দুজন ব্যক্তিৰ মাজত যোগাযোগ স্থাপনতে নহয় বৰঞ্চ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰাৰ পৰিবহন তথা সংৰক্ষণত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি তৃতীয় আন্তঃৰাষ্ট্ৰীয় ভাৰতীয় ভাষা সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰীৰাধাকৃষ্ণণে এইদৰে কয়। ভাষাই সামগ্ৰিকভাৱে এখন সমাজৰ  উমৈহতীয়া স্মৃতি কঢ়িয়াই বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আয়ুৰ্বেদলৈ মালায়লম ভাষাৰ অৱদানৰ বিষয়েও উল্লেখ কৰে। অতীতৰ শিল আৰু গছৰ পাতত লিখাৰ পৰা এতিয়াৰ ডিজিটেল স্ক্ৰীনলৈ ভাষাই মানৱ জাতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

০০০০০০০০০

ইজৰাইলৰ আক্ৰমণত গাজাত ১৩গৰাকী লোক নিহত হৈছে। ইজৰাইলৰ সামৰি বাহিনীয়ে প্ৰকাশ কৰা অনুসৰি গাজা মহানগৰীৰ পৰা চলোৱা এটা বিফল আক্ৰমণৰ প্ৰত্যুত্তৰত দক্ষিণ আৰু উত্তৰ গাজাত হামাছৰ ওপৰত আক্ৰমণ চলোৱা হয়। ইজৰাইল আৰু হামাছৰ মাজৰ যুদ্ধবিৰতি সদ্যহতে চালুকীয়া পৰ্যায়তে আছে। গাজাত বন্দী হৈ থকা লোকসকলক উদ্ধাৰ কৰিবলৈ প্ৰচেষ্টা অব্যাহত আছে।

০০০০০০০০০

ইৰাণৰ নেতা আয়াতুল্লা আলী খামেইনিয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ হকে প্ৰতিবাদ সাব্যস্ত কৰা  লোকসকলে ৰাজহুৱা সম্পত্তি ধ্বংস কৰা বুলি অভিযোগ তুলিছে। ইৰাণৰ জনসাধাৰণে সমন্বয়ৰে সকলো শত্ৰুক পৰাভূত কৰিব বুলি   উল্লেখ কৰি তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীক প্ৰথমে নিজৰ দেশৰ সমস্যাসমূহ সমাধান কৰিবলৈ আহ্বান জনায়।

০০০০০০০

ছত্তিশগড়ৰ দান্তেৱাড়া জিলাত ৬৩গৰাকী মাওবাদীয়ে আত্মসমৰ্পন কৰিছে। ইয়াৰ ভিতৰত ৩৬গৰাকীৰ বিৰুদ্ধে ১ কোটি ১৯ লাখ ৫০ হাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। আৰক্ষী অধীক্ষক গৌৰৱ ৰায়ে প্ৰকাশ কৰা অনুসৰি আত্মসমৰ্পন কৰা মাওবাদীসকলৰ ভিতৰত ১৮গৰাকী মহিলা।

০০০০০০

সমাপ্ত